উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা

সাম্প্ৰতিক উপভাষা অধ্যয়নৰ ক্ষেত্ৰত উপভাষাৰ সংজ্ঞা কেৱল কোনো এক অঞ্চলৰ একেটা ভাষাৰ খণ্ড খণ্ড ৰূপৰ আলোচনাই নহয়; ভাষা সম্প্ৰদায় এটাৰ মাজত থকা সামাজিক মূল্যবোধ আৰু বিচাৰশক্তিয়ে কৰি থকা ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ যি বিভিন্নতা সৃষ্টি হয়- সেই বিভিন্নতাইয়ো উপভাষা গঢ় দিয়ে। প্ৰকৃততে উপভাষা ভাষাৰ মূল সুঁতিৰ উপসুঁতিৰ দৰে, সেয়েহে ভাষাৰ সামগ্ৰিক অধ্যয়নত উপভাষাৰ যথেষ্ট গুৰুত্ব আছে।

ভাষাৰ শৃংখলাবদ্ধ অধ্যয়ন কৰোঁতে প্ৰধানভাৱে ভাষাটোৰ অন্তৰ্গত আঞ্চলিক আৰু সামাজিক উপভাষাসমূহ অধ্যয়ন কৰাটোও গুৰুত্বপূৰ্ণ। ভাষাৰ সামগ্ৰিক জ্ঞান কেৱল লিখিত সাহিত্যৰ ভিতৰতেই পোৱা নাযায়, কথিত ৰূপৰ আলোচনাও প্ৰয়োজন। ভাষাৰ অখণ্ড ৰূপৰ জ্ঞানৰ বাবে সেয়েহে উপভাষা অধ্যয়ন অতিকৈ প্ৰয়োজন।

উপভাষাসমূহ সাধাৰণতে কথিত ৰূপত থাকে, সেয়েহে ইয়াৰ অধ্যয়ন ইমান সহজ সাধ্য নহয়। তথাপিও উপভাষাৰ অধ্যয়নৰ মাজত কেৱল ভাষাগত দিশহে যে থাকে এনে নহয়; উপভাষাই নৃতাত্ত্বিক, সামাজিক আদি প্ৰমূল্যও বহন কৰে। ভাষা একোটাৰ সকলোবোৰ তথ্য পাবলৈ উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তা আছে।

উপভাষাৰ মাজত ভাষাৰ স্বাভাৱিক জীৱন নিহিত থাকে, কিয়নো উপভাষা সমাজৰ সৃষ্টি। সমাজত বসবাস কৰা বক্তাৰ কথা কোৱা ধৰণ অনুযায়ী বহুক্ষেত্ৰত উপভাষাৰ জন্ম হয়। বক্তাৰ কথা কোৱাৰ ধৰণৰ লগত সমাজত বক্তাৰ স্থান; অৰ্থনৈতিক অৱস্থা ইত্যাদিৰ দিশ নিহিত হৈ আছে অৰ্থাৎ উপভাষাই ভাষাৰ জ্ঞানৰ লগতে সমাজৰ বিভিন্ন দিশৰ জ্ঞানো দিয়ে।

ভাষাৰ জন্ম, সমৃদ্ধি আৰু ক্ৰমবিকাশত উপভাষা অধ্যয়নৰ যথেষ্ট গুৰুত্ব আছে। বহুক্ষেত্ৰত দেখা যায় যে সংৰক্ষণশীল মনোবৃত্তি আৰু নিজ ভাষাৰ (কথিত ৰূপৰ) প্ৰতি পালন কৰি অহা উচ্চ মনোভাৱে ভাষাৰ অখণ্ড ৰূপসমূহ জীয়াই ৰখাত সহায় কৰে। ভাষাৰ এই খণ্ড ৰূপসমূহৰ মাজত ভাষাৰ অতীতটো লুকাই থাকে। সময়ৰ সোঁতত নানান কাৰণত ভাষা এটাৰ পৰিৱৰ্তন হয়। অন্য ভাষাৰ প্ৰভাৱেও ভাষা পৰিৱৰ্তনত সহায় কবে। ভাষা এটাৰ অতীতমুখী অধ্যয়নত সেয়েহে উপভাষাসমূহে এক সক্ৰিয় ভূমিকা গ্ৰহণ কৰিব পাৰে।ভাষাবিজ্ঞানী লিওনার্ড

ব্লুমফিল্ডে কৈছে যে ভাষাবিজ্ঞানী এজনৰ বাবে স্থানীয় উপভাষাবোৰৰ মূল্য যথেষ্ট। সেইবোৰে যে কেৱল ভাষাবিজ্ঞানীজনৰ কামৰ আহিলা যোগায় এনে নহয়, মান্য আৰু অৰ্ধমান্য ভাষাৰ মূল আৰু বুৰঞ্জী আঞ্চলিক উপভাষাবোৰৰ দ্বাৰাহে বুজিব পাৰি। ভাষা এটাই গ্ৰহণ কৰা নতুন নতুন শব্দৰাজিৰ সময় নিৰূপণৰ ক্ষেত্ৰতো উপভাষা অধ্যয়নৰ প্ৰয়োজন। উপভাষা অধ্যয়ন কৰি তাক লিখিত ৰূপত সংৰক্ষণ কৰাটো অতিকৈ প্ৰয়োজন। ভবিষ্যৎ গৱেষকসকলক এই দিশটোৱে যথেষ্ট সহায় কৰিব। উপভাষাসমূহে মান্য ভাষাৰ বিকাশৰ স্তৰ বিভাগবোৰ প্ৰতিনিধিত্ব কৰাৰ লগে লগে মান্যভাষাত ব্যৱহাৰ নোহোৱা শব্দ কিছুমান সংৰক্ষণ কৰি একোখন ঠাইৰ সাংস্কৃতিক সোঁতৰ গতিপথ নিৰ্ণয় কৰাত সহায় কৰে। কোনো ভাষাৰ শব্দতত্ত্ব অধ্যয়নৰ বাবেও উপভাষাৰ অধ্যয়নৰ প্ৰয়োজনীয়তা আছে।

উপভাষা অধ্যয়নৰ প্ৰয়োজনীয়তাৰ আন এটা লৌকিক দিশ দেখিবলৈ পোৱা যায়। সাধাৰণ লোকে ভাৱে উপভাষা হৈছে সৰ্বসাধাৰণ, দুখীয়া, নিৰক্ষৰ লোকৰ ভাষা। এই ভাষা অশুদ্ধ, তেনে লোকে মান্য ভাষাকহে শুদ্ধ ভাষা হিচাপে জ্ঞান কৰে। এই ধাৰণা অমূলক। সমাজৰ প্ৰগতিত এনে ধাৰণা বা মনোভাৱে যথেষ্ট বাধাৰ সৃষ্টি কৰিব পাৰে। গতিকে উপভাষাৰ উদাহৰণৰ দ্বাৰা সৰ্বসাধাৰণৰ মনৰ এই ভ্ৰান্ত ধাৰণা আঁতৰ কৰাটো সকলো সচেতন, শিক্ষিত লোকৰে কৰ্তব্য। ইয়াৰ বাবে প্ৰয়োজন হ'ব বিভিন্ন অঞ্চলৰ উপভাষাৰ লোককথা, লোকগীত আদিৰ প্ৰচলন; সাংস্কৃতিক আদান-প্ৰদান ইত্যাদিৰ। এই সমূহ কৰিবলৈ আগবাঢ়োতে উপভাষাৰ অধ্যয়নৰ প্ৰয়োজনীয়তাৰ দিশটো আহি পৰিব।

ভাষাৰ খণ্ডৰূপ সৃষ্টিত সহায়কাৰী পৰিস্থিতিতকৈ ভাষাৰ অখণ্ডতাৰ সৃষ্টি সহায়কাৰী শক্তিৰ মাত্ৰা বেছি। ফলত উপভাষা মৃত্যুমুখতো পৰিব পাৰে। যি কোনো বিষয়ৰে মৃত্যু বা ধ্বংস ভয়ানক। সেয়েহে সংৰক্ষণৰ দ্বাৰা ভাষাৰ খণ্ড ৰূপকো ধৰি ৰাখিব পাৰিব লাগে।